# তৃতীয় অধ্যায়

মায়ং অঞ্চলটো নতুনকৈ সীমা নির্ধাৰিত মধ্য অসমৰ অন্তৰ্গত। গতিকে ইয়াৰ কথিত ভাষাটোও এই মধ্য অসমৰ উপভাষা গোষ্ঠীৰ ভিতৰত পৰে। ভৌগোলিক, ৰাজনৈতিক সামাজিক আদি কাৰণতেই মধ্য অসমৰ অন্তৰ্গত মৰিগাওঁ জিলাৰ এই বৃহত্তৰ অঞ্চল মায়ং, এসময়ত উজনি আৰু নামনি দুয়োটা অঞ্চলৰ পৰা বিচ্ছিন্ন হৈ আছিল। ফলত ইয়াৰ কথিত ভাষাই এক সুকীয়া ৰূপ ললে আৰু সিয়েই পিছত মায়েঙীয়া উপভাষা ৰূপে জনাজাত হ'ল।

মায়ঙৰ সৰু ৰজা প্ৰেমচন্দ্ৰ সিংহৰ দিনত আহোমৰ তলতীয়া হয়। আগৰে পৰা জনগোষ্ঠীয় সমন্বয় আছিল মায়ং নাম মায়ং ৰাজ্যখন। ভিন ভিন ভাষাগোষ্ঠীৰ জনগাঁঠনিৰ বিচিত্ৰতাৰ ফলত ভাষাটোত নতুন-নতুন কিছুমান উপাদান সংযোজিত হৈয়ে আছে। ব্ৰিটিছ ৰাজত্বৰ পূৰ্ব্ববৰ্তী আৰু পৰৱৰ্তী কালছোৱাত পূৰ্বৰ পাকিস্তান তথা বাংলাদেশৰ পৰা বহু বাংলা ভাষী লোকৰ প্ৰব্ৰজন ঘটাৰ কথা সকলোৱে জানে। বাংলাদেশী সকলৰ দৰেই হয়তু ব্ৰিটিছৰ ৰাজত্ব কালতেই বহু নেপালী ভাষী লোক অঞ্চলটোত আহি অসমীয়া জন-জীৱনৰ লগত মিলি জীৱন যাপন কৰি আহিছে। উক্ত লোকসকল দ্বিভাযিক ঘৰুৱা পৰিবেশত বঙলা আৰু নেপালী ভাষাৰেই ভাৱ বিনিময় কৰে যদিও বাহিৰত অসমীয়া ভাষাৰেই কথা বতৰা পাতে। গতিকে বঙলা আৰু নেপালী এই দুটা ভাষাও মায়েঙীয়া উপভাষাত আপোনা আপুনি সোমাই পৰিছে।

ইতিহাস প্ৰসিদ্ধ মায়ং যাদুৰ দেশ। মায়ং প্ৰাচীন কামৰূপৰ কামাখ্যাপীঠৰ অন্তৰ্গত হোৱা হেতুকে এই ৰাজ্যতে প্ৰাচীন কালৰে পৰা শাক্ত আৰু শৈৱ ধৰ্মই প্ৰাধান্য লাভ কৰি আহিছিল। শাক্ত ধৰ্মৰ লগতেই যাদু মন্ত্ৰৰ সম্পৰ্ক আটাইতকৈ বেছি হোৱাৰ বাবে মায়ং অঞ্চলতো যাদু মন্ত্ৰৰ প্ৰভাৱ ক্ৰমাগত আজিলৈকে বৰ্তি থাকিল। এই মন্ত্ৰ সমূহ 'অৰ্থব বেদ' আৰু 'যোগিনীতন্ত্ৰ' আদিত বৈদিক ভাষাতে ৰচিত হৈছিল যদিও মায়ং অঞ্চলত ইয়াৰে কিছুমান মন্ত্ৰ মায়েঙীয়া ভাষাটো ৰচিত হৈছিল। কিন্তু এই মন্ত্ৰবোৰ ক'ৰপৰা কেতিয়া উৎপত্তি হ'ল, কোনে উৎপত্তি কৰিলে তাৰ কোনো সম্ভেদ পোৱা নাযায়। উদাহৰণ স্বৰূপে :-

"এঙেনি বান্ধিলো জেঙেনি বান্ধিলো
বান্ধিলো গোহালিৰ গৰু।
মাকক বান্ধিলো জীয়েকক বান্ধিলো
বান্ধিলো পিঠাৰ চৰু।।
পিঠাৰ লট্-পট্ খোলাৰ তপত।
পিঠাৰ হৰ যদি মহাদেউৰ শপত।।"

(পিঠা ভঙা মন্ত্ৰ)

এই অঞ্চলৰ প্ৰধান উল্লেখনীয় দিশটো হ'ল জনজাতীয় ভাষাৰ প্ৰভাৱ আৰু উপাদান। জনজাতীয় লোকৰ আবাসস্থল হিচাপে বড়ো, কাৰ্বি, মিকিৰ আদি সকলৰ নিজা নিজা ভাষা থাকিলেও পৰৱৰ্তী কালত অসমীয়া ভাষীৰ সংমিশ্ৰণত নিজৰ ভাষাবোৰৰ প্ৰভাৱ অসমীয়া ভাষাত যিমান পৰিমানে পৰিব লাগিছিল সিমান পৰিমানে নপৰিল যদিও আংশিক ভাৱে কিছুমান উপাদান মায়ঙৰ উপভাষাত প্ৰৱেশ কৰিলে যিবোৰৰ বহুখিনি মান্য অসমীয়াতো বিদ্যমান বৰ্তমান সময়ত এওঁলোকক দ্বিভাষিক বুলি ক'ব নোৱাৰি। কাৰণ দুই এজন বুঢ়ালোকৰ বাহিৰে তেওঁলোকৰ ভাষা

জনা লোক নাই বুলিয়েই ক'ব পাৰি। মাত্ৰ পাভকাটি গাঁৱৰ বড়োলোক খিনিৰ মাজতহে ঘৰুৱা পৰিবেশত নিজৰ ভাষা ব্যৱহাৰ কৰা দেখা যায়। ইয়াৰ বাহিৰে বাকীবোৰ অসমীয়া ভাষাকেই নিজৰ ভাষা হিচাপে গ্ৰহণ কৰিছে।

মায়ঙৰ উপভাষাৰ আন এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল পুৰণি অসমীয়া ভাষাৰ বহু বৈশিষ্ট্য ইয়াত অবিকৃত ৰূপত সংৰক্ষিত হৈ আহিছে। প্ৰাক্-বৈষ্ণৱ যুগত মধ্য তথা নামনি অসমেই অসমীয়া সাহিত্যৰ প্ৰাণকেন্দ্ৰ আছিল। উক্ত অঞ্চলৰ ভাষাক কেন্দ্ৰ কৰিয়েই বৈষ্ণৱ তথা প্ৰাচীন অসমীয়া সাহিত্যৰাজি প্ৰণয়ন হৈছিল। সেয়েহে পুৰণি অসমীয়া ভাষা বহু বৈশিষ্ট্য উক্ত অঞ্চলৰ পৰা মচ খোৱা নাই। শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলী, ৰাম সৰস্বতী আদি বৈষ্ণৱ কবি সকলৰ লেখনিৰ বাহিৰেও কথা গুৰু চৰিতকে আদি কৰি সাহিত্য সমূহত আৰু আহোম যুগৰ বুৰঞ্জী সমূহত এই অঞ্চলৰ ভাষা সংৰক্ষিত হৈ আহিছে। "কথা গুৰুচৰিত"ত থকা বহু শব্দ মায়ঙৰ উপভাষাৰ লগত একে। সেই শব্দবোৰ এনেধৰণৰ আতা, আপি, চেৰি, কাথি, নাঙল, ভাজনি, লুম, বাৰি, একা, হালি, লৰু, কান্দি, কাতি, কাটা, কটি ইত্যাদি।

এই অঞ্চলৰ ভাষাৰ প্ৰধান বৈশিষ্ট্য হ'ল কামৰূপী উপভাষা আৰু দৰঙী উপভাষাৰ উপাদানৰ লগতে তাৰ প্ৰভাৱ। ধ্বনিতত্ব, ৰূপতত্ব আৰু শব্দ সম্ভাৰ আদি দিশত মায়ং অঞ্চলৰ উপভাষা কামৰূপ উপভাষা আৰু দৰঙী উপভাষাৰ মাজত যথেষ্ট পাৰ্থক্য পৰিলক্ষিত হয় যদিও ইয়াৰ কিছু মিল থকাও দেখা যায় কামৰূপী উপভাষাৰ অঞ্চল কামৰূপ জিলাৰ গাতে লাগি আছে। মায়ং অঞ্চল। আকৌ মাজতে ব্ৰহ্মপুত্ৰখনেহে দৰং আৰু মায়ঙক বিভক্ত কৰিছে ন'হলেটো সিও গাতে লাগি থাকিলহেতেন অতি প্ৰাচীন কালৰে পৰা এই তিনিটা অঞ্চলৰ মাজত সাংস্কৃতিক তথা সামাজিক যোগসূত্ৰ ৰক্ষিত হৈ আহিছে। তদুপৰি কামৰূপৰ ৰামদিয়া আৰু দৰঙৰ পৰা বহুলোক বিভিন্ন কাৰণত বিভিন্ন সুবিধাৰ্থে বহুবছৰ আগৰেপৰাই মায়ঙৰ বিভিন্ন অঞ্চলত স্থায়ী ভাৱে বসবাস কৰি আহিছে। তাৰোপৰি স্বাধীনতাৰ পূৰ্বেই উত্তৰ

প্ৰদেশৰ মোজাভৰ (মোজাফৰ) নগৰ ফৰিদাবাদ আৰু গাজিয়াবাদ নগৰৰ পৰা প্ৰায় পোন্ধৰটা মান হিন্দী ভাষী পৰিয়ালো মায়ঙলৈ আহে।

এইদৰে বহু প্ৰকাৰৰ কথিত ভাষীৰ সহ অৱস্থাপনৰ ফলত কথিত ভাষাত পাৰস্পৰিক প্ৰভাৱ প্ৰাপ্ত হৈ মায়ঙৰ উপভাষাই এক নতুন ৰূপ পৰিগ্ৰহণ কৰিছে। বিভিন্ন সম্প্ৰদায়ৰ লোকৰ বাসস্থান হোৱাৰ বাবে গাওঁ বিশেষ মায়ং অঞ্চলৰ ভাষাৰে ৰূপবোৰ বেলেগ বেলেগ। ইয়াৰে ভকতগাওঁ অঞ্চল আৰু মনহা অঞ্চলৰ ভাষাৰ মাজত কিছু অমিল দেখা যায়। আনহাতে পকৰীয়া অঞ্চলত বঙালী আৰু মুছলমান লোক বাস কৰা হিচাপে তেওঁলোকৰ ভাষাৰ লগত মায়ং অঞ্চলৰ আন আন গাওঁবাসী লোকৰ ভাষাৰ মাজত কিছু অমিল। ইফালে যদিও দৰং অঞ্চলৰ পৰা অহা কাজলীচকীৰ লোক সকল, তেওঁলোকে কিন্তু মান্য ভাষাই ব্যৱহাৰ কৰে। মায়ং অঞ্চলৰ ৰজামায়ং, হাতীমূৰীয়া, কালশিলা, লোনমাটি, সতীভেটি, ঔগুৰি, ঝাৰগাওঁ, চনকা, হিলৈখুন্দা, বুঢ়ামায়ং, পশ্চিম মায়ং, কাজলী চকী, হাতীবগৰা, বৰদিয়া, ১নং মূৰকাটা, তেতেলীগুৰি বনমূৰী, জলজলি, শিলডুবি, কুছিয়ানী, পাভকাটি, হাতীগঁড়-কুছিয়ানী, বুৰাবুৰী, ঝাৰগাওঁ, মনহা কছাৰীগাওঁ, দৈপৰা, ভকতগাওঁ, বঢ়মপুৰ আদি বিভিন্ন গাওঁ ভেদে তেওঁলোকৰ কথিত ৰূপটো বেলেগ বেলেগ। মান্য অসমীয়া ভাষাৰ লগত অমিল থকা বৈশিষ্ট্যসমূহ ফঁহিয়াই চালে বুজা যাব যে, মায়ং অঞ্চলত এটা উপভাষাই নিজববীয়াকৈ গঢ় লৈ উঠিছে।

মায়ঙৰ ভাষাটোত ধ্বনিগত, ৰূপগত, শব্দগত আৰু বাক্যগত আদি বিভিন্ন ঔপভাষিক বৈশিষ্ট্য বিদ্যমান। এই বৈশিষ্ট্য সমূহ চমুকৈ আলোচনা কৰা হ'ল-

### ৩.০১ ধ্বনিতত্ত্ব ( Phonology)

মায়ঙীয়া উপভাষাত ধ্বনিতত্ত্বৰ ক্ষেত্ৰত কিছু সুকীয়া স্থিতি থকা দেখা যায়। সেইবোৰ তলত আলোচনা কৰা হ'ল -

**স্বৰধ্বনিৰ** ক্ষেত্ৰত যদি লক্ষ্য কৰা যায় তেনেহ'লে -

১।(ক) মায়ঙীয়া উপভাষাত মান্য অসমীয়া ভাষাৰ দৰে বিশিষ্ট্য স্বৰধ্বনিৰ সংখ্যা, আঠোটাই পোৱা যায়। সেইবোৰ জিভাৰ স্থান আৰু উচ্চতা অনুসৰি হোৱা পৰিলক্ষিত হয়। তলৰ চিত্রত জিভাৰ স্থান আৰু উচ্চতা অনুসৰি দিয়া হ'ল -

| | সন্মুখ | কেন্দ্রীয় | পশ্চ |
|---|---|---|---|
| উচ্চ | ই | | উ |
| উচ্চমধ্য | ঐ | | ও |
| উচ্চ নিম্ন মধ্য | এ | | অ' |
| নিম্ন মধ্য | | | অ |
| নিম্ন | | আ | |

খ) সকলোবোৰ স্বৰধ্বনিয়েই শব্দৰ আদি মধ্য আৰু অন্ত্য স্থানত প্রয়োগ হয় যদিও শব্দৰ আদিত এ' আৰু অ' ধ্বনিৰ প্রয়োগ বৰ কম।

যেনে -

আদিস্থানত -

| মায়ঙীয়া | মান্য |
|---|---|
| এহালি | - এগণ্ডা বা চাৰিটা |
| এদাঙ্ | - আধামোন |
| আত্না কথাল্ | - আতলাচ |
| ওঅনি | - ওৰনি |
| অনজনা | - অচিনাই |
| অমৈতা | - অমিতা |

মধ্যস্থানত ঃ

| <u>মায়ঙীয়া</u> | <u>মান্য</u> |
|---|---|
| ফলিআ মাচ্ | - কান্দুলি মাছ |
| মেখেলি | - মেখেলা |
| পিপৰ | - পৰুৱা |
| লেজ্ | - নেজ |
| নেওথনি | - মাটি কাদুৰি |

অন্ত্যস্থানত ঃ

| <u>মায়ঙীয়া</u> | <u>মান্য</u> |
|---|---|
| ভাজনি | - শিপিনি |
| খাচে | - খাইছে |
| ঘৰজীআ | - চপনীয়া |
| আমলখু | - আমলখি |
| বালু | - বালি |
| চেঙা | - ছাঁ |

গ) মায়ঙীয়া উপভাষাত হ্রস্ব আৰু দীৰ্ঘ স্বৰৰ মাজত পাৰ্থক্য নাই।

ঘ) স্বৰৰ অনুনাসিকতা বিশিষ্ট ধ্বনি। যেনে -

(আ) বাৰি - শাক পাচলিৰ বাৰি

বাঁৰি - বিধৱা

বাহা - বোৰ (চালিবাহা) ল'ৰাবোৰ

বাঁহা - ওহাৰ

ঙ) দ্বিস্বৰ আৰু ত্ৰিস্বৰ ধ্বনিৰ প্ৰয়োগ মায়ঙীয়াত পোৱা যায়। সাধাৰণতে এক অক্ষৰীয়া শব্দতেই দ্বিস্বৰ আৰু ত্ৰিস্বৰৰ প্ৰয়োগ আছে। অৱশ্যে দুই অক্ষৰীয়া শব্দতো দুই এটা প্ৰয়োগ পোৱা যায়। দ্বিস্বৰ ধ্বনিবোৰ নাসিক্য ৰূপে উচ্চাৰিত হোৱাও দেখা যায়। যেনে -

| <u>মায়ঙীয়া</u> | <u>মান্য</u> |
|---|---|
| জিউ | - জীৱন |
| উতিএনি | - ৰচকী তিৰোতা |
| পুৰে'ই | - পুৰৈ শাক |
| গৰাই | - গৰৈ মাছ |
| নাই | - নাভি |
| উঅল | - উৰাল |
| কুঅঁৰি | - কুঁৱৰী |
| গেৰুআ | - গোৰোহা |
| মাহুই | - মাহী |
| মউচা | - মহা |
| বঅ'তি | - ঢোলৰ বৰতি |
| ব'ইন | - ভনী |

চ) ত্ৰিস্বৰ ধ্বনি ঃ

| মায়ঙীয়া | মান্য |
|---|---|
| বিআই | - বিঁয়ে |
| বিআইন | - বিয়নী |
| তাঅ'ই | - তাঁৰে |
| মইওৰ | - ময়ুৰ |
| আম্‌লওআ | - আমৰালি পৰুৱা |
| কাও্‌আ | - কাউৰী |
| গোআইল | - গোহালী |
| কুআই | - কাঁৰৈ মাছ |

ছ) মায়ঙীয়া উপভাষাত কেতিয়াবা প্ৰথম অক্ষৰত কেতিয়াবা দ্বিতীয় অক্ষৰত শ্বাসঘাত পৰা দেখা যায়। যেনে ঃ

| মায়ঙীয়া | মান্য |
|---|---|
| কুম্‌ৰা | - কোমোৰা |
| ক'ইল্‌জা | - কলিজা |
| আদ্‌দি | - হাড় |
| চতিঅন্‌ | - চতিয়না গছ |
| খাখৰি | - কণামাকৰি |

**২। বিশিষ্ট ব্যঞ্জন ধ্বনি ঃ**

ক)মায়ঙীয়া উপভাষাত মান্য অসমীয়াৰ দৰে বিশিষ্ট ব্যঞ্জন ধ্বনি ২১ টা। ইয়াৰে ১২ টা স্পৰ্শ, ৪ টা ঘৃষ্ট, ৩ টা নাসিক্য, ১ টা পাৰ্শ্বিক আৰু ১ টা কম্পিত

স্পৰ্শ ধ্বনিবোৰ অঘোষ আৰু সঘোষ দুয়ো প্ৰকাৰৰ আছে। আনহাতে অল্পপ্ৰাণ আৰু মহাপ্ৰাণৰ মাজতো বিৰোধ আছে। নাসিক্য, পাৰ্শ্বিক আৰু কম্পিত ধ্বনিবোৰ কেৱল সঘোষ।

'ঙ' ধ্বনিৰ বাহিৰে সকলোবোৰ ধ্বনিৰে শব্দৰ আদিত প্ৰয়োগ আছে। এই কেইটাৰ বাদে আনবোৰ বিশিষ্ট ব্যঞ্জনৰ প্ৰয়োগ আদ্য, মধ্য আৰু অন্ত্য স্থানত পোৱা যায়।

মায়ং অঞ্চলত বসবাস কৰা বঙলা ভাষাভাষী লোকৰ মুখত কথ্য ভাষাৰ উচ্চাৰণত কেইটামান বিশেষত্ব চকুত পৰে। তেওঁলোকৰ মায়ঙীয়া উপভাষাত মূৰ্ধন্য ট, ঠ, ড, ঢ, ণ, ষ দন্ত্য ত, থ, দ, ধ, ন স অৰু তালব্য শ ৰ প্ৰয়োগ সময়ে সময়ে হোৱা দেখা যায়। এয়া বোধহয় বঙ্গ ভাষাৰ প্ৰভাৱৰ ফল।। বিশিষ্ট ব্যঞ্জন ধ্বনিৰ চিত্ৰ আৰু তালিকা তলত দিয়া হ'ল -

| | উচ্চাৰণৰ স্থান | ঔষ্ঠ | দন্তমূলীয় | পশ্চতালব্য | কণ্ঠ্য |
|---|---|---|---|---|---|
| নিৰূত | উচ্চাৰণৰ ধৰণ | অঃসঃ | অঃ সঃ | অঃ সঃ | অঃ সঃ |
| | অল্পপ্ৰাণ- | প ব | ত দ | ক গ | |
| | মহাপ্ৰাণ | ফ ভ | থ ধ | খ ঘ | |
| | ঘৃষ্ট | চ জ | স | | হ |
| | নাসিক্য | ম | ন | ঙ | |
| অনিৰূত | পাৰ্শ্বিক | | ল | | |
| | কম্পিত | | ৰ | | |

খ) **বিশিষ্ট ব্যঞ্জনধ্বনি আৰু উপধ্বনিৰ তালিকা ঃ**

| বিশিষ্টধ্বনি | উপধ্বনি | ধ্বনিগুন |
|---|---|---|
| /প/ | [প] | স্পৰ্শ ঔষ্ঠ্য অল্পপ্ৰাণ অঘোষ |

| | | |
|---|---|---|
| /ফ/ | [ফ] | স্পর্শ ঔষ্ঠ্য মহাপ্রাণ অঘোষ |
| /ব/ | [ব] | স্পর্শ ঔষ্ঠ্য অল্পপ্রাণ সঘোষ |
| /ভ/ | [ভ] | স্পর্শ ঔষ্ঠ্য মহাপ্রাণ সঘোষ |
| /ত/ | [ত] | স্পর্শ দন্তমূলীয় অল্পপ্রাণ অঘোষ |
| /থ/ | [থ] | স্পর্শ দন্ত্যমূলীয় মহাপ্রাণ অঘোষ |
| /দ/ | [দ] | স্পর্শ দন্তমূলীয় অল্পপ্রাণ সঘোষ |
| /ধ/ | [ধ] | স্পর্শ দন্তমূলীয় মহাপ্রাণ সঘোষ |
| /ক/ | [ক] | স্পর্শ পশ্চতালব্য অল্পপ্রাণ অঘোষ |
| /খ/ | [খ] | স্পর্শ পশ্চতালব্য মহাপ্রাণ অঘোষ |
| /গ/ | [গ] | স্পর্শ পশ্চতালব্য অল্পপ্রাণ সঘোষ |
| /ঘ/ | [ঘ] | স্পর্শ পশ্চতালব্য মহাপ্রাণ সঘোষ |
| /চ/ | [চ] | ঘৃষ্ট দন্তমূলীয় অঘোষ |
| /জ/ | [জ] | ঘৃষ্ট দন্তমূলীয় সঘোষ |
| /স/ | [স] | ঘৃষ্ট পশ্চতালব্য অঘোষ |
| /হ/ | [হ] | ঘৃষ্ট কণ্ঠ্য সঘোষ |
| /ম/ | [ম] | নাসিক্য ঔষ্ঠ্য সঘোষ |
| /ন/ | [ন] | নাসিক্য দন্তমূলীয় সঘোষ |
| /ৰ/ | [ৰ] | কম্পিত দন্তমূলীয় সঘোষ |

গ) ব্যঞ্জন ধ্বনিৰ প্ৰয়োগ আৰু বিৰোধৰ উদাহৰণ তলত দিয়া হ'ল ঃ-

আদিস্থানত -

| <u>মায়ঙীয়া</u> | <u>মান্য</u> |
|---|---|
| ফুত্ | - কঠালৰ ফুট |
| পুত্ | - পোতা কাৰ্য |
| থাল | - কাঁহি |
| কৰ | - কোৰ |
| গৰ | - কাঠৰ টুকুৰা |
| চ'তি | - কাঠৰ চতি |
| হাগ্ | - শৌচ কৰা |
| লেল্পা | - লেৰেলি যোৱা |
| ৰাগ | - খং |

মধ্য স্থানত ঃ

| <u>মায়ঙীয়া</u> | <u>মান</u> |
|---|---|
| কাপুৰ | - কাপোৰ |
| কাফুৰ্ | - কৰ্পূৰ |
| কাথি | - পিৰালি |
| মুদা | - চকু জপোৱা |

| | |
|---|---|
| মুধা | - ঘৰৰ মুধা |
| কাক্ৰ | - কেকোঁৰা |
| কাখৰ | - কিনাৰৰ |
| পগা | - গাখীৰ পগা |
| পঘা | - পঘা জাৰি |
| জাসাহু | - জাশাহু |
| বেহাৰ | - সৰিয়হ |
| মেনা | - লাওমূলা গৰু |

অন্ত্যস্থানত ঃ

| মায়ঙীয়া | মান্য |
|---|---|
| গংগাতপ্ | - গঙ্গাটোপ |
| কফ্ | - কফ বেমাৰ |
| দাত্ | - দাঁত |
| বুধ্ | - বুধবাৰ |
| নাখ | - নাশ, নষ্ট |
| আঁচ | - ৰেখা |
| লুম | - নোম |
| কল্ফুল্ | - কলডিল |
| লাভ্ | - লাভ |
| দাথ্ | - ডাঁৰ |

ঘ) দ্বি অক্ষৰযুক্ত ব্যঞ্জনৰ উদাহৰণ তলত দিয়া হ'ল -

| মায়ঙীয়া | মান্য |
|---|---|
| বাত্চা | - পোৱালি |
| কব্জা | - গাঁঠি |
| দাপ্না | - গান্ধাৰ |
| ইনদুৰ | - ইন্দুৰ |
| খাগ্ৰা | - খাগৰি |
| বিচ্না | - বিচনা |
| অন্জনা | - আচিনাই |
| দাথা | - মাৰিচা শাক |
| সইল্তা | - শলাকানি, ইত্যাদি |

ঙ) শ্ৰুতিধ্বনি ঃ মায়ঙীয়াত ৱ আৰু য় শ্ৰুতিধ্বনি ৰূপেহে পোৱা যায়।

## ৩.০২ ৰূপতত্ত্ব (Morphology)

**বিশেষ্য ঃ**

মায়ঙৰ উপভাষাত বিশেষ্য শব্দবোৰ বচন, কাৰক লিঙ্গ আদিৰ দ্বাৰা সাধন কৰা হয়। বিশেষ্য শব্দবোৰৰ শেষত স্বৰধ্বনি বা ব্যঞ্জন ধ্বনিৰ প্ৰয়োগ হয়। এই স্বৰধ্বনি বা ব্যঞ্জন ধ্বনিৰ প্ৰয়োগ হয়। এই স্বৰধ্বনিবোৰ হ'ল - ই, এ, আ, উ, ও, অ', অ। যেনে -

| মায়ঙীয়া | মান্য |
|---|---|
| জঙল | যুঁৱলি |
| চেলে' | ল'ৰা |

| | |
|---|---|
| পল | পল' |
| সনাৰু | সোনাৰু গছ |

বিশেষ্য শব্দৰ শেষত প্ৰয়োগ হোৱা ব্যঞ্জন ধ্বনিবোৰ হ'ল

| <u>মায়ঙীয়া</u> | <u>মান্য</u> |
|---|---|
| চাৱ | চাব /মোহৰ |
| লুভ্ | লোভ |
| দাথা | মৰিচা শাক |
| দৰখ | এৰাল |
| দালিম | ডালিম |
| কাৰল্ | কেৰেলা |
| পিপৰ্ | পৰুৱা |

**বচন ঃ**

মায়ঙীয়া উপভাষাত মান্য ভাষাৰ দৰে বচন দুটাই পোৱা যায়। একবচন আৰু বহুবচন। এটাক বুজাবলৈ একবচন আৰু দুটাক বুজাবলৈ বহুবচন ব্যৱহাৰ কৰা হয়। অৱশ্যে কেতিয়াবা দুটাক বুজাবলৈ সংখ্যাবাচক শব্দ 'দুই' ৰ ব্যৱহাৰ কৰাও দেখা যায়। যেনে - কিতা দু-খন। মান্য ভাষাৰ দৰে বহুবচনাত্মক প্ৰত্যয় বোৰ, বিলাক, বৃন্দ, সকল, হঁত আদিৰ প্ৰয়োগ মায়ঙীয়া উপভাষাতো আছে। এইবিলাকৰ উপৰি গিলা, ঝাক, বাহা, মুহা, সপা/খুপা, ৰা আদি বহুবচন বুজোৱা প্ৰত্যয়ৰ প্ৰয়োগ মায়ঙীয়া উপভাষাত আছে।

(১) গিলা ঃ এই প্ৰত্যয়টোৰ প্ৰভাৱ মায়ঙত কামৰূপী উপভাষাৰ বুলি ক'ব পাৰি। কালিৰাম মেধি ডাঙৰীয়াৰ মতে গুলু বা গলৰ পৰা বঙালী গুলা, গুলি

আৰু অসমীয়াত গিলা প্ৰত্যয় ওলাইছে। যেনে - কাৰ্‌কল গিলা - ভাত কেৰেলাবোৰ।

(২) ঝাক - সমষ্টি বুজাবলৈ 'ঝাক' প্ৰত্যয় ব্যৱহাৰ কৰা হয়। যেনে- চৰেইঝাক।

(৩) বাহা - মান্য অসমীয়াৰ 'বাহ' প্ৰত্যয়ৰ সমাৰ্থক ৰূপে মায়ঙত 'বাহ' প্ৰত্যয় ব্যৱহাৰ হয়। যেনে- মৌবাহা।

(৪) মুহা, সপা - গাহৰি সপা, চনাসপা আদি।

লিঙ্গ ঃ মান্য অসমীয়াৰ দৰে মায়ঙীয়াতো ব্যাকৰণসিদ্ধ লিঙ্গ নাই। কেৱল প্ৰাণীবাচক শব্দৰ ক্ষেত্ৰতহে লিঙ্গ নিৰ্ণয় কৰিব পাৰি।

ইনদুৰ, মাচ্‌লংকা, মাছৰুকা আদিৰ দৰে শব্দবোৰ উভয় লিঙ্গ হিচাবে ধৰা হয়। মান্য ভাষাৰ দৰে তিনিটা উপায়েৰে লিঙ্গ নিৰ্ণয় কৰা হয়। (ক) বেলেগ বেলেগ শব্দৰ দ্বাৰা (খ) পুৰুষ, স্ত্ৰীবাচক শব্দ ব্যৱহাৰ কৰি আৰু (গ) ভিন ভিন প্ৰত্যয় যোগ কৰি।

| (ক) | পুংলিঙ্গ | স্ত্ৰীলিংগ |
|---|---|---|
| | আতা (ককাদেউতা) | আবু (আইতা) |
| | দদৌ (খুড়া) | খুড়ীমাই (খুড়ী) |
| | গভিয়া (চপনীয়া) | জাচনি (চাপনী) |
| | জঙাই (জোৱাই) | জি (জীয়ৰী) |
| | দাঁহাপিতা (বৰপিতা) | দাঁহামাই (বৰমা) |
| | ভাই (ভাই) | বনি (ভনী) |
| | মাইআ (মা) | দেউতা (দেউতা) |

(খ) মূল শব্দৰ পিছত মতা মাইকী ব্যৱহাৰ কৰি কৰা স্ত্ৰীলিঙ্গ

| পুংলিঙ্গ | স্ত্রীলিঙ্গ |
|---|---|
| মতা-গৰু | মাইকী গৰু |
| মামৰি আতু | মামৰিআ জনী (মাউৰী) |
| মানুহজন | মানুহজনী |

(গ) পুংলিঙ্গ বাচক শব্দৰ পাছত ভিন ভিন প্ৰত্যয় ব্যৱহাৰ কৰিও লিঙ্গ নিৰ্ণয় কৰা হয়।

| পুংলিঙ্গ | স্ত্রীলিঙ্গ |
|---|---|
| চেৰা (ল'ৰা) | চেৰী (ছোৱালী) |
| উতিআ (ধিতিঙা) | উতিআ-নি (ৰচকী তিৰোতা) |

(ঘ) মান্য অসমীয়াত প্ৰচলিত অকল পুৰুষবাচক আৰু অকল স্ত্রীবাচক শব্দবোৰৰো উচ্চাৰণৰ তাৰতম্য ঘটি মায়ঙীয়াতো কিছু পৰিমাণে প্ৰয়োগ হয়।

## কাৰক আৰু শব্দ বিভক্তি ঃ

(১) বাক্যত ক্ৰিয়াপদৰ লগত সম্বন্ধ স্থাপন হোৱা পদটোৱেই কাৰক। মায়ংৰ উপভাষাত কাৰক ৬টা আৰু শব্দ বিভক্তি ৭টা। কৰ্তা, কৰ্ম, কৰণকাৰক, নিমিত্ত কাৰক, অপদান কাৰক আৰু অধিকৰণ কাৰক এই ৬টা কাৰক প্ৰয়োগ হোৱা দেখা যায়। শব্দ বিভক্তি কেইটা আৰু ইয়াৰ চিহ্নবোৰ হ'ল -

১। ১মা বিভক্তি - এ, ই- যদুই ভাত খায়।

২। ২য়া বিভক্তি - ক, ৰে- সীমাই তাক মাতিছে।
সীমাই তাক দাকে।

৩। ৩য়া বিভক্তি-ৰে,-দি - তেওঁ চিথি ৰে জনাইছে।
তেওঁ চিদি দি জানাইছে।

৪। ৪র্থী বিভক্তি-ত, (লগি/লাগি, লৈ)- সি কলেজত গেচে।

চিদাৰাম পথাৰত লেগি গ'ল।

সি ইচকুল লৈ গৈছে।

৫। ৫মী বিভক্তি-থেকে - আমি বাৰি থেকে এচেচি।

মই ঘৰৰ পৰা আহিলো।

৬। ৬ষ্ঠী বিভক্তি-ৰ - মন ৰত্নৰ ভায়েক

৭। ৭মী বিভক্তি-ত - ঘৰ-ত মানুহ নাই

## নির্দিষ্টতাবাচক প্রত্যয় ঃ

মায়ঙৰ উপভাষাতো নির্দিষ্টতাবাচক প্রত্যয়ও মান্য ভাষাৰ দৰে এটা প্রধান বৈশিষ্ট্য সংজ্ঞাবাচক শব্দ, বিশেষণ, সর্বনাম সংখ্যাবাচক শব্দৰ পাছত এইবোৰ প্রত্যয় ব্যৱহৃত হৈ কোনো বস্তু নির্দিষ্ট কৰি দেখুৱায়। কেইটামান উদাহৰণ তলত দিয়া হ'ল -

| | | |
|---|---|---|
| (ক) খন/খান - | তামুল-খন | তামোলখন |
| | বেৰাখান | বেৰখন |
| | তিহিতা-খান | চাদৰখন |
| (খ) চহল/চকল্ | আম-চহল্ | আমচকল |
| | মাচ-চকল্ | মাছ চকল |
| (গ) তাঙনি | কোঁহাৰ-তাঙনি | কুঁহিয়াৰ কণা |
| (ঘ) তুকুৰা/তুক্ৰা | বাঁহ-তুকুৰা | বাঁহ টুকুৰা |
| (ঙ) থুৰি | কলাথুৰি | কলাথোক |
| (চ) দং | পানি দং | পানীডোঙা |

| | | |
|---|---|---|
| (ছ) দা | এই-দা | এইটো |
| (জ) দি | চুল-দি | চুলিকোছা |
| (ঝ) নি | এই-নি | এইখিনি |
| (ঞ) পাইল্/পাল | দাৰুপাইল্ | ঔষধপালি |
| (ট) চাক্কা | মাচ্চাক্কা | মাছচকল |
| (ঠ) লোচ | সূতা লেচা | সূতানেচা |
| (ড) হিনি | এইহিনি | এইখিনি |
| (ঢ) গৰ | মানুহ গৰ | মানুহঘৰ |
| (ণ) তা | ফুল-তা | ফুলপাহ, ইত্যাদি |

**অনির্দিষ্টতাবাচক প্রত্যয় ঃ**

নির্দিষ্টতাবাচক প্রত্যয়ৰ দৰে মায়ঙৰ উপভাষাত অনির্দিষ্টতাবাচক প্রত্যয়ৰ বহল প্রয়োগ নাই। মাথোন, মান্, হানিক্ আদি দুই এটা প্রত্যয়ৰহে প্রয়োগ আছে। যেনে -

ক) মান - ক-খন - মান - কিতাপ (কেইখনমান কিতাপ)

খ) হানিক্ - মইত্ - হানিক্ চাউল (মুঠিদিয়েক চাউল)

**পৰসর্গ ঃ**

মান্য অসমীয়াৰ পৰসর্গবোৰৰ আন কেইটামান পৰসর্গৰ ব্যৱহাৰ মায়ঙৰ উপভাষাত পোৱা যায়।

- একা, তুন, দিকি / দিগি, - দিঅক, দে

- না, - হ আদি দিকি/দিগি হ'ল বিশেষ্যবাচক পৰসর্গ আৰু আনকেইটা ক্রিয়া বাচক পৰসর্গ।

ক) একা ঃ নিশ্চয় অৰ্থত - সি নাহি একা।

খ) তুন ঃ নিশ্চয় অৰ্থত - খাব তুন।

গ) দিঅক ঃ সন্মাতিসুচক অৰ্থত - যাম দিঅক।

ঘ) দিকি/দিগি ঃ কুন দিগি। এই দিকি।

ঙ) দে ঃ অনুৰোধ অৰ্থত - জাংদে। খাং দে

চ) না ঃ প্ৰশ্নসুচক অৰ্থত - খাবি না, জাবি না।

ছ)হ ঃ সন্দেহ অৰ্থত - তই ভাত খালি হ'।

এইবোৰৰ উপৰিও কিছুমান বিবিধ বিষয়ক অব্যয় শব্দ মায়ঙৰ উপভাষাত পোৱা যায়। যেনে- আৰ (আৰু), জদিনু (যদিও), কিআনু (কিয়নো) তেনেহলি (তেনেহ'লে), কিজানু (কিজানি), বাও (বাৰু) ইত্যাদি।

## ৩.০৩ শব্দতত্ত্ব

ভাষা বিশেষে শব্দ অৰ্থ ধ্বনিৰ মাজত কিছু কিছু পাৰ্থক্য থকা পৰিলক্ষিত হয়। ভাষাৰ ক্ষুদ্ৰ ৰূপ উপভাষা। এই উপভাষা বিলাক সকলো দিশতে ধ্বনি, ৰূপ, অৰ্থ, শব্দ আদি দিশত সুকীয়াত্ব থকা বাবে মান্য ভাষাৰ দৰে উপভাষাবোৰো চহকী। মায়ঙৰ ভাষাৰ ক্ষেত্ৰত যেনেদৰে ধ্বনি, ৰূপতত্বৰ দিশত মান্য ভাষাতকৈ পাৰ্থক্য আছে ঠিক তেনেদৰে শব্দৰ ক্ষেত্ৰতো কিছু কিছু পাৰ্থক্য থকা দেখা যায়। তোন শব্দবোৰ জীৱন জন্তু সম্পৰ্কীয়। অংগ-পতংগ সম্পৰ্কীয়, সম্বন্ধবাচক শব্দৰ ক্ষেত্ৰত, ফলমূল ফুল সম্পৰ্কীয়, গছ-গছনি সম্পৰ্কীয়, শাক-পাচলি সম্পৰ্কীয়, কানি কাপোৰ, আ-অলংকাৰ, খাদ্য আৰু অন্যান্য শব্দৰ ক্ষেত্ৰত মায়ঙৰ ভাষাই সুকীয়া আসন গ্ৰহণ কৰা দেখা যায়। তাৰ কেইটামান উদাহৰণ তলত আঙুলিয়াই দিয়া হ'ল -

**ক) জীৱজন্তু চৰাই, পোক পতংগ সম্পৰ্কীয় ঃ**

| মায়ঙৰভাষা | মান্যভাষা |
| --- | --- |
| কুপতি | কপৌ |
| কেৰুন্‌দা | কেৰেলুৱা |
| তেঙেৰা মাছ | শিঙৰা মাছ |
| পুকা | পোক |
| ফলিআ মাচ | কান্ধুলি মাছ |
| তেলভকুলা | পইতাচোৰা |
| পিপৰ | পৰুৱা |
| অকনি | ওকনি |
| ডেনা | ডেউকা |
| মোহ | ম'হ |

**খ) ফল-ফুল আদি ঃ**

| মায়ঙৰ ভাষা | মান্যভাষা |
| --- | --- |
| আত্‌না কথাল | আতলা |
| কাথি কুঁৱৰি | নয়নতৰা |
| চুঙা ফুল | কৰবী |
| লইটেঙা/ধুপৰি | পৰামলখি |
| দাৰিয়াফুল | জবাফুল |

| | |
|---|---|
| কাকতি ফুল | নাৰ্জিফুল |
| অমৈতা | অমিতা |
| তিফিলা | আমলখি |
| তিহ্ | তিয়ঁহ |

গ) শাক-পাচলি সম্পৰ্কীয় ঃ

| মায়ঙৰ ভাষা | মান্যভাষা |
|---|---|
| কল্‌ফুল | কলডিল |
| নেওথনি | মাটিকাদুৰী |
| বাৰিসন্দুৰী | মধুসোলেং |
| বৰটেঙা | ৰবাব টেঙা |
| ৰহুন | নহৰু |

ঘ) শৰীৰ সম্পৰ্কীয় ঃ

| মায়ঙৰভাষা | মান্যভাষা |
|---|---|
| মূৰা/টেমা | মূৰ |
| দপিনা | কৰঙন |
| ক'তি | পোকৰ |
| কিনা আঙুলি | কেএঙা আঙুলি |
| কিলাকনি | কিলাকুটি |
| তলা | তলুৱা |
| কা-তলি | কাষলতি |

ঙ) সম্বন্ধবাচক শব্দ ঃ

| মায়ঙৰ ভাষা | মান্যভাষা |
|---|---|
| আতা | ককা দেউতা |
| বুবু/আবু | আইতা |
| বৰগিৰি | জেঠেৰী |
| দদৌ | খূড়া |
| মাহুই | মাহী |
| মোহা | মহা |
| গাভিআ / ঘৰজিআ | ঘৰজোঁৱাই |
| বিয়েই / বিয়াই | বিঁয়ে |

চ) গছ-গছনি সম্পৰ্কীয় ঃ

| মায়ঙৰ ভাষা | মান্যভাষা |
|---|---|
| পতা | মৰাপাট |
| বেহাৰ | সৰিয়হ |
| ভতৰা | বঙালী এৰা |
| সজন কাতা | বনগুটি |
| নাইকল | নাৰিকল |

ছ) কানি-কপোৰ, আ-অলংকাৰ ঃ

| মায়ঙৰভাষা | মান্যভাষা |
|---|---|
| ফন্‌তা | খৰম |

| | |
|---|---|
| মুক্চা | গামোচা |
| মেখেলি | মেখেলা |
| লেংটি | ধুতি |

জ) খাদ্য ঃ

| মায়ঙৰভাষা | মান্যভাষা |
|---|---|
| চুঙা পিথা | চুঙা চাউল |
| জকৰা ভাত | পইতা ভাত |
| বুকা চাউল | কোমল চাউল |
| মিঁথে | গুৰ |

ঝ) অন্যান্য ঃ

| মায়ঙৰ ভাষা | মান্যভাষা |
|---|---|
| অন্জনা | আচিনাই |
| এ্রহালি | এঅৰা |
| জুপজাপ | সৰ্বমুঠ |
| বৰাবৰ | ঠিকজোখত |
| দৰখ | এৰাল |
| দঙ্ | নিজৰা |
| পখলি | গাঁৰিশালি |
| পুলি | কোঠালি |

| | |
|---|---|
| থুতা | খোনা |
| অচল | অসুবিধা |
| তুপুৰা | ঘূৰণীয়া |
| গুদাম | বুটাম |
| আঙৰ | অঙঠা |
| খান্তা | গৰখাৰৈ |
| ধঙা | ধোৰা |
| ভাজনি | শিপিনী |
| মাম'ৰিআ | মাউৰা |
| মেৰ্ | ভৰাঁল |
| লৰু | এছাৰি |

মায়ঙৰ উপভাষাত জতুৱা ঠাঁচ আৰু ক্ৰিয়াবাচক শব্দ কিছুমানো মান্য অসমীয়াতকৈ পৃথক। যেনে- বখানিআ চৰা (নিয়ম এৰা), বতৰ পৰা (বৰষুণ দিয়া), আত্হ পাৱ (চিঞৰ মাৰ), লেল্পা পৰা (শুকাইযোৱা), সাথন থকা (পাকৈত) ইত্যাদি।

**কৃৎপ্ৰকৰণ আৰু তদ্ধিত প্ৰকৰণ ঃ**

নতুন শব্দ সৃষ্টিৰ কাৰণে মায়ঙৰ উপভাষাত কৃৎপ্ৰত্যয় আৰু তদ্ধিত প্ৰত্যয়বোৰৰ প্ৰয়োগ মান্য অসমীয়া ভাষাৰ দৰেই প্ৰচুৰ আৰু বিচিত্ৰ। এই কৃৎপ্ৰত্যয়বোৰ তলত দিয়া হ'ল -

(ক) অন - বিশেষ্য শব্দসূচক অৰ্থত ব্যৱহাৰ হয়। যেনে - মাৰ অন; মাৰন

(খ) - অনি বিশেষ্য শব্দসূচকত প্ৰয়োগ হয়। যেনে - জাচ-অনি; জাচনি (চাপনী)

(গ) - অনিআ বিশেষণৰ অৰ্থত যেনে - পুহ্ অনিআ, পুহনিআ (পোহনীয়া)

(ঘ) - অনিআ - আনা, ই, ইআ, আদি। বিশেষ্য শব্দৰ সৃষ্টিৰ ক্ষেত্ৰত ব্যৱহাৰ হয়।

যেনে- ধাক্-অনা-ধাকানা (ঢাকনি), হাঁহ ই, হাঁহি

(ঙ) - উৰা - বিশেষণ শব্দৰ সৃষ্টি হয়। যেনে - মুত্ উৰা; মুতুৰা

(চ) - এন্ - বিশেষ্য শব্দসূচক অৰ্থত প্ৰয়োগ হয়। যেনে - গা-এন্-গাএন্ (গায়ন)

তদ্ধিত প্ৰত্যয়ৰ প্ৰয়োগৰ উদাহৰণ তলত দিয়া হ'ল -

ক) - অকি - বিশেষণ শব্দৰ অৰ্থত ব্যৱহাৰ হয়। যেনে কথা ক - কথ্ আইক; কথাকি (কথকি)

খ) - অৰা - মুখ্ - অৰা, মুখৰা

গ) - অলি - (গাফ্) গফ্-অলি, গফলি (চোঁৰৰ)

ঘ)- আ - পানি – আনি আ; পানিআ (পনীয়া)

ঙ) - আক - জোন্ – জন্আক, জনাক্ (জোনাক)

চ) - আল্ - লুম আল, লুমাল (নোমাল)

ছ) - একি - পাথ্ একি (পাথেকি)

জ) - এনি - ঘাঁহ এনি - ঘাঁহেনি (ঘাঁহনি)

ঝ) - ইআ - ফাল্ - ফল ইআ; ফলিআ (কান্ধুলি মাছ)

ঞ) - ইকি - তিতা — তিত্ ইকি, তিতিকি (তিতা)

ট) - ইল, - ৰঙ্ ইল ৰঙিন (ৰং থকা)

ঠ) - উআ - দাং — দং উআ, দঙুআ, (দঙুৱা)

ড) - নি - উতিআ-নি, উতিআনি (ৰচকী তিৰোতা)

ধাতু ঃ

ধাতুৰ ক্ষেত্ৰত মায়ঙৰ উপভাষা আৰু মান্য ভাষাৰ মাজত বিশেষ পাৰ্থক্য থকা পৰিলক্ষিত নহয়। তথাপিও মায়ঙৰ উপভাষাত ব্যৱহৃত কেইটামান ধাতুৰ উদাহৰণ তলত দাঙি ধৰা হ'ল -

ক) √কাত্ - দান দা

খ) √চিৰ - ফাল্

গ) √জিক - পানীত তিতা

ঘ) √থেকেনা - থেকেচা খা

ঙ) √দৰ্ - ভয় কৰা

চ) √পিচ্ - গুৰি কৰ, পিহ

ছ) √পুচ - সোধ

জ) √ফিৰ - ঘুৰি আহ

ঝ) √ফেলা - পেলাইদে

ঞ) √বনা - সাজ

ট) √ভিজ - তিত

ঠ) √ভুৰুকা - ফুচুলোৱা

ড) √মাৰ - হাল বা

ঢ) √লাৰ - স্পৰ্শ কৰা

ণ) √হান্ - জোঙা অস্ত্ৰৰে প্ৰহাৰ কৰা

## ৩.০৪ মায়াঙীয়া ভাষাত অন্যান্য ভাষাৰ প্ৰভাৱ

**মায়ঙীয়া ভাষাত তিৰ্ব্বতবৰ্মী ভাষাৰ প্ৰভাৱ ঃ**

আৰ্যমূল সম্ভুত অসমীয়া ভাষাটো বিভিন্ন অনাৰ্য ভাষাৰ প্ৰভাৱ পৰা দেখা যায়। অষ্ট্ৰিক, চীন-তিৰ্ব্বতীয়, দ্ৰাবিড়, মংগোলীয় আদি বিভিন্ন অনাৰ্য ভাষাৰ দানেৰে অসমীয়া ভাষা সমৃদ্ধ। এই সম্পৰ্কত ড° কাকতিদেৱে কৈছে,

"The Assam valley district are surrounded on all sides by aboriginal Tribers mostly of Tibeto-Burman origin except the khosis who belong to the Mon-Khamer branch of the Austric Stock."[1]

উক্ত মন্তব্যৰ পৰা ক'ব পাৰি যে আৰ্যমূলীয়া অসমীয়া ভাষাৰ লগত চীন তিব্বতীয়া আৰু অষ্ট্ৰিক ভাষা পৰিয়ালৰ বিভিন্ন ভাষাৰ সৈতে সাংস্কৃতিক সামাজিক আৰু ব্যৱসায়িক আদান প্ৰদানৰ সহযোগৰ ফলশ্ৰুতিত অসমীয়া ভাষাৰ ভৰাল চহকী হৈছে।

আগতেই উনুকিয়াই অহা হৈছে যে মায়ং জনজাতি প্ৰধান এলেকা। চীন তিব্বতীয় ভাষা পৰিয়ালৰ তিব্বত বৰ্মীয় শাখাৰ বড়ো, কাৰ্বি, তিৱা আদি জনজাতি লোকসকলে অতি পুৰনি কালৰে পৰা বাস কৰি আহিছে। এই জনজাতীয় লোক সকলৰ নিজা সুকীয়া ভাষা থাকিলেও তেওঁলোকে অসমীয়া ভাষাটোক ভাৱ প্ৰকাশৰ প্ৰধান ভাষাহিচাবে ব্যৱহাৰ কৰিলে। ফলত তেওঁলোকে যদিও অসমীয়া ভাষা ব্যৱহাৰ কৰিলে তাৰ মাজে মাজে তেওঁলোকৰ জন্মগত নিজৰ ভাষাৰ শব্দ কিছু অসমীয়া ভাষাৰ মাজত সোমাই গ'ল। সেই অনুসৰি মায়ঙৰ জনজাতি লোকসকলো দ্বিভাষিক। অৱশ্যে এটা কথা ক'বই লাগিব যে বড়ো সকলৰ বাহিৰে বাকী জনজাতি সকলৰ বৰ্তমানৰ প্ৰজন্মই তেওঁলোকৰ ভাষাৰে ঘৰুৱা পৰিৱেশত ভাৱ বিনিময় কৰাৰ পৰিৱৰ্তে অসমীয়া ভাষাৰেই প্ৰয়োগ কৰা পৰিলক্ষিত হয়। অসমীয়া ভাষাৰ ধ্বনিতত্ব, ৰূপতত্ব আনকি শব্দতত্বৰ ক্ষেত্ৰতো অনাৰ্যৰ দান মন কৰিবলগীয়া। মায়ংৰ ভাষাতো ইয়াৰ প্ৰভাৱ নুই কৰিব নোৱাৰি। বিশেষকৈ শব্দমালাৰ ক্ষেত্ৰত অনাৰ্যৰ প্ৰভাৱ যথেষ্ট পৰিমানে পৰা দেখা যায়। উপেন্দ্ৰ নাথ গোস্বামীদেৱে কৈছিল, "ভাষা এটাৰ গঠন-পদ্ধতি যদি ভাষাটোৰ শুকান হাড়ছাল' হয় তেনেহ'লে শব্দভাণ্ডাৰ তাৰ 'তেজ মঙহ'। অসমীয়া ভাষাৰ গঠন পদ্ধতিটোক এটা সুকীয়া ৰূপ দিয়াৰ পাছত অসম আৰু অসমৰ ওচৰে পাজৰে, পৰ্বতে-ভৈয়ামে থকা জনজাতীয়-ভাষাবোৰে অসমীয়া ভাষাক নানা ধৰণৰ শব্দ সম্ভাৰৰ যোগানেৰে পুষ্ট কৰালে।

মায়ঙৰ উপভাষাত শৰীৰ সম্পৰ্কীয় সম্বন্ধ বাচক, সাজ-পোছাক, দৈনন্দিন ব্যৱহৃত বহু খিনি শব্দ তিব্বতবৰ্মীয় ভাষাৰ বড়ো, কাৰ্বি, তিৱা আদিৰ পৰা প্ৰভাৱ পৰা বুলি ক'ব পাৰি। তাৰে কেইটামান উদাহৰণ তলত দিয়া হ'ল -

| জনজাতীয় | মায়ঙীয়া | মান্যভাষা |
|---|---|---|
| আৰ্লি | এৰালি | এৰালি ঘাঁহ |
| আবৌহ | আবু | আইতা |
| কিতি/ক'তি | ক'তি | গুহ্যদ্বাৰ |

| | | |
|---|---|---|
| খাচি | কাচি | কাচি |
| গাঙ্থি | গাঙতি | গাঙলি |
| গাভি | গভিয়া | ঘৰজোৱাই |
| গাম্বলা | গাম্লা | চৰিয়া |
| জেকা | জিকা | তিতা (পানীত তিতা) |
| থুথৰি | ধুতুই/ধুতুৰা<br>ধেতুৰি | থুঁতৰি |
| দখ্না | দখনা | মেখেলা |
| দং | দং | নিজৰা |
| দাফ্না | দপিনা | উৰু |
| ফাগ্লা | পাগ্লা | পাগল |
| ফালি | ফালি | গামোচা |
| লিবিং | লালুং | লালুং |
| সাঙুৰি | হাদাৰি | সমূহীয়া কাম |
| বিআই | বিয়াই | বিঁয়ে |
| ৰাৰি | বাৰি | ওখঠাই |
| ফোন্থা | ফন্তা | খৰম/চেণ্ডল |
| মোনা | মনা | মোনা |
| মাংখৰ | মাক্ৰ | মৰিশালি |
| ৰথ্ৰ | বতৰ | বতৰ |
| দুখ্লি | দুকা/দুন | সৰু পাচি |
| লেঙ্ৰা | লেঙেৰা | লেঙেৰা ইত্যাদি। |

এনেদৰে জনজাতীয় প্ৰভাৱে অসমীয়া তথা উপভাষাবোৰত প্ৰভাৱ বিস্তাৰ কৰি অসমীয়া ভাষাৰ ভঁৰাল চহকী কৰি তোলাৰ উপৰিও মানুহৰ মাজৰ সম্প্ৰীতিৰ জৰীডাল নিকপকীয়া কৰি তুলিছে।

## ৩.০৫ মায়ঙৰ উপভাষাৰ সৈতে পুৰণি অসমীয়া ভাষাৰ পাৰ্থক্য

অসমীয়া ভাষা সাহিত্যৰ প্ৰাচীন ৰূপটো নামনি অসমৰ প্ৰভাৱ সুস্পষ্ট। প্ৰাক্-শংকৰী আৰু শংকৰী যুগৰ সাহিত্যৰাজিৰ প্ৰানকেন্দ্ৰ স্বৰূপ আছিল নামনি অসম। নামনি অসমৰ ভাষাই সেই সময় ছোৱাত ৰাজনৈতিক, ধৰ্মীয়, অৰ্থনৈতিক, সাহিত্যিক, সাংস্কৃতিক সকলো দিশতে প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল বাবে তেতিয়া অসমৰ মান্য ভাষাৰূপে নামনি অসমৰ ভাষাই স্বীকৃতি লাভ কৰিছিল। আনহাতে সময়ৰ পৰিবৰ্তনৰ লগে লগে ঠাই এখনৰ সাংস্কৃতিক কেন্দ্ৰৰো পৰিবৰ্তন হয়। সেইবাবে এটা সময়ত মান্য ভাষাত ঠাই লোৱা উপভাষাটোৱে পুনৰ উপভাষালৈ অবনমিত হ'ব পাৰে আৰু উপভাষা এটা মান্য ভাষাৰূপে গৃহীত হ'ব পাৰে। ১২২৮ চনত আহোম সকলে অসম অধিকাৰ কৰাৰ পাছত অসমৰ সাংস্কৃতিক, ৰাজনৈতিক, সাহিত্যিক, ধৰ্মীয় সকলো দিশতে অগ্ৰাধিকাৰ পোৱা উজনি অসমৰ ভাষাটো মান্য ভাষা ৰূপে স্বীকৃতি লাভ কৰিলে আৰু নামনি অসমৰ ভাষাটো পুনৰ উপভাষালৈ পৰিবৰ্তিত হ'ল।

নামনি অসমৰ ভাষাত কেন্দ্ৰ কৰি সৃষ্টি হোৱা সাহিত্যৰাজি কিন্তু অসমীয়া সাহিত্যৰ ভঁৰালৰ পৰা মচ খাই যোৱা নাই। পৰবৰ্তী সময়ত মানুহৰ মুখে মুখে সেইবোৰৰ প্ৰভাৱ পৰা পৰিলক্ষিত হয়। ধ্বনিতাত্বিক, ৰূপতাত্বিক শব্দ সম্ভাৰৰ ক্ষেত্ৰত বহু মিল বিচাৰি পোৱা যায়। বিশেষকৈ 'কথাগুৰু চৰিত'ৰ মিল মায়ংৰ ভাষাৰ লগত যথেষ্ট - পৰিমানে থকা দেখা যায়। তাৰে কেইটামান উদাহৰণ তলত দিয়া হ'ল-

| মায়ঙীয়া | পুৰণি অসমীয়া |
| --- | --- |
| আন্তৰি (আতৰি যোৱা) | আন্তৰি |
| আপি (ছোৱালী) | আপি |
| আবু (আইতা) | আবু |
| জমাই (জোঁৱাই) | জামাই |
| লৰু (এছাৰি) | লৰু |
| হালি (চাৰিটা বুজোৱাশব্দ) | হালি |
| পখালি (খুবলি) | পখালি |
| একা | একা |
| আতাহপাৰ (চিঞৰা) | আতাহপাৰ |
| বেহাৰ (সৰিয়হ) | বেহাৰ |
| চখু (চকু) | চখু |
| খাৰা (থিয় হোৱা) | খাৰা, আদি |

মহাপুৰুষ শংকৰদেৱৰ কিছু ৰচনাৰাজিৰ প্ৰভাৱ মায়ংৰ ভাষাত পৰা দেখা যায়। যেনে -

| মায়াঙীয়া | পুৰণি অসমীয়া |
| --- | --- |
| কামি | কাম্থি |
| চিনি (চেনী) | চিনি |
| লাঙল (নাঙল) | লাংগল |
| মাই (মাক) | মাই |